# REGIONAL NEWS UNIT

AKASHVANI :: GUWAHATI

0000000000

**Date : 07-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::::::::::::::::::::::::::::**

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যত অবৈধ খনন ৰোধ কৰাৰ বাবে শীঘ্ৰে অসম ক্ষুদ্ৰ খনিজ ৰেহাই বিধি, ২০২৪ কাৰ্যকৰী কৰাৰ পোষকতা কৰিছে। ৰাজহুৱা স্বাৰ্থজড়িত এখন আবেদন নিষ্পত্তি কৰি আজি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয় আৰু ন্যায়াধীশ উন্নী কৃষ্ণ নায়াৰৰ খণ্ড বিচাৰপীঠে অবৈধ খনন ৰোধ কৰাৰ বাবে প্ৰস্তুত কৰা নিৰ্দেশাৱলী ৰাজ্য চৰকাৰে সঠিকভাৱে পালন কৰিব বুলি আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে, ওদালগুৰি জিলাৰ ধনশিৰি বন সংমণ্ডল এলেকাত এজন লোকে অবৈধভাৱে শিল, বালিৰ খনন চলোৱাক লৈ অঞ্চলটোৰ এজন ব্যক্তিয়ে উচ্চ ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল। এই আবেদনৰ শুনানি কালত ৰাজ্য চৰকাৰৰ হৈ বন বিভাগে অসমত অবৈধ খনন ৰোধৰ বাবে ইতিমধ্যে অসম ক্ষুদ্ৰ খনিজ ৰেহাই বিধি ২০২৪ৰ খচৰা প্ৰস্তুত কৰা হৈছে বুলি ন্যায়ালয়ক অৱগত কৰে। বন বিভাগৰ এই তথ্যৰ পাছত উচ্চ ন্যায়ালয়ে নতুন বিধিখন শীঘ্ৰে কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিয়ে। ন্যায়ালয়ে লগতে ধনশিৰি বন সংমণ্ডল এলেকাত অবৈধ খনন চলোৱা লোকজনৰ বিৰুদ্ধে ছমাহৰ ভিতৰত আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০

সমগ্ৰ দেশতে আজি মাজনিশাৰ পৰা কাৰ্যকৰী হোৱাকৈ প্ৰতি লিটাৰ পেট্ৰ'ল আৰু ডিজেলত আৱকাৰী শুল্ক ২ টকাকৈ বৃদ্ধি পাব। অৱশ্যে ইয়াৰ ফলত দুয়োবিধ ইন্ধনৰ খুচুৰা মূল্য বৃদ্ধি নহ'ব বুলি তৈল বিপণন কোম্পানীসমূহে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে আজি নতুন দিল্লীত সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰি কয়, যে আৱকাৰী শুল্কৰ এই বৃদ্ধিয়ে গ্ৰাহকসকলৰ ওপৰত প্ৰত্যক্ষভাৱে বিশেষ প্ৰভাৱ নেপেলায়।

তদুপৰি ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্যও ৫০ টকাকৈ বৃদ্ধি কৰা হৈছে। শ্ৰী পুৰীয়ে কয়, যে উজ্জ্বলা যোজনাৰ হিতাধিকাৰীসকলে ৰন্ধন গেছৰ চিলিণ্ডাৰ কাইলৈৰ পৰা ৫৫০ টকাত আৰু অন্য সকলে ৮৫৩ টকাত লাভ কৰিব। অৱশ্যে ইয়াৰ সৈতে ৰাজ্যিক কৰৰ নিৰিখ ধৰা হোৱা নাই।

০০০০০

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত আজি জিলা আয়ুক্ত কাৰ্যালয়ত স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলৰ সৈতে সমাগত পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত এখন সভা অনুষ্ঠিত হয়। সভাত নিৰ্বাচনী বিষয়াই পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিল, প্ৰাৰ্থীৰ নিৰ্বাচনী চিহ্নৰ বাচনি তথা নিৰ্বাচনৰ বিভিন্ন নিয়মাৱলী সন্দৰ্ভত প্ৰতিনিধিসকলক অৱগত কৰে। সভাত জিলা আয়ুক্তই এই নিৰ্বাচনী প্ৰক্ৰিয়া সুচাৰুৰূপে পৰিচালনাত সহযোগিতা আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া অহা ৩ এপ্ৰিলত আৰম্ভ হ'ব আৰু ১১ এপ্ৰিলত অন্ত পৰিব। ১২ এপ্ৰিলত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ১৭ এপ্ৰিল মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। সেইদিনাই চূড়ান্ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। নিৰ্বাচন আয়োগে জাৰি কৰা অধিসূচনা অনুসৰি এই নিৰ্বাচনত গাওঁ পঞ্চায়তৰ সদস্যই ২৫ হাজাৰ টকা, আঞ্চলিক পঞ্চায়তৰ সদস্যই আঢ়ৈ লাখ টকা আৰু জিলা পৰিষদৰ সদস্যই ১০ লাখ টকা পৰ্যন্ত ব্যয় কৰিব পাৰিব।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাৰ এছ'চিয়েচনে উত্তৰ গুৱাহাটীৰ ৰংমহললৈ উচ্চ ন্যায়ালয় স্থানান্তৰৰ বিষয়টো পুনৰ বিবেচনা কৰাৰ বাবে অধিবক্তাসকলৰ সৈতে আলোচনা কৰিবলৈ আহ্বান জনাইছে। আজি এখন সংবাদ মেলত বাৰ এছ'চিয়েচনে এই ক্ষেত্ৰত উচ্চ ন্যায়ালয়ক সংশ্লিষ্ট সকলো পক্ষৰ মত গ্ৰহণ কৰিবলৈ আহ্বান জনায়। বাৰ এছ'চিয়েচনে গুৱাহাটী উচ্চ ন্যায়ালয় ৰংমহললৈ স্থানান্তৰৰ প্ৰস্তাৱৰ বিৰুদ্ধে এতিয়াও নিজৰ স্থিতিত অটল হৈ আছে বুলি সংবাদ মেলত উল্লেখ কৰে।

ইপিনে, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ স্থানান্তৰৰ প্ৰসংগত ন্যায়ালয় কৰ্তৃপক্ষ আৰু ন্যায়াধীশক উদ্দেশ্যি বিৰূপ মন্তব্য আগবঢ়োৱাৰ অভিযোগত অসম চৰকাৰৰ মহাধিবক্তা দেৱজিত শইকীয়াই ৩ জন অধিবক্তাৰ বিৰুদ্ধে দুটা আদালত অৱমাননাৰ গোচৰ তৰিছে। উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয় আৰু ন্যায়ধীশ উন্নী কৃষ্ণ নায়াৰৰ খণ্ড বিচাৰপীঠত কাইলৈ এই গোচৰ দুটাৰ শুনানি গ্ৰহণ কৰা হ'ব।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ প্ৰতি শুল্ক আৰোপৰ সিদ্ধান্ত আৰু এই ৰাষ্ট্ৰসমূহে বৃহৎ পৰিমাণৰ শুল্ক ভৰিব লাগিব বুলি ট্ৰাম্পে আজি কৰা ঘোষণাৰ ফলত বিশ্বজুৰি ষ্টক বজাৰসমূহৰ সূচাংক অভাৱনীয়ভাৱে তললৈ নামে। ইউৰোপ আৰু এছিয়াৰ ষ্টক বজাৰৰ এই মগুৱস্থাৰ প্ৰভাৱ ভাৰতীয় বজাৰতো বাৰুকৈ পৰে। বম্বে ষ্টক এক্সছেঞ্জৰ সংবেদী সূচাংক এটা সময়ত ৪ হাজাৰ পইণ্ট নিম্নগামী হয় আৰু ষ্টক বজাৰ বন্ধ হোৱাৰ সময়ত এই সূচাংক দুহেজাৰ ২২৭ পইণ্ট নিম্নগামী হৈ থাকে। ৰাষ্ট্ৰীয় ষ্টক এক্সছেঞ্জৰ নিফটীও ৫০ পইণ্ট নিম্নগামী হয়।

০০০০০

ধেমাজি জিলাৰ গোগামুখত আজি ১৮ সংখ্যক সদৌ অসম আন্তঃজিলা কণিষ্ঠ আৰ্চাৰী চেম্পিয়নশ্বিপ প্ৰতিযোগিতা আৰম্ভ হৈছে। মিচিং স্বায়ত্ব শাসিত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙিয়াই আজি গোগামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত তিনিদিনীয়াকৈ আয়োজিত এই প্ৰতিযোগিতাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰায় ৩০০ গৰাকী খেলুৱৈয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত  চলি থকা এখন খেলত আজি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুয়ে - মুম্বাই ইণ্ডিয়ানছক জয়ৰ বাবে ২২২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। বেংগালুৰুৰ হৈ বিৰাট কোহলীয়ে ৬৭ ৰাণ আৰু অধিনায়ক ৰজত পাটিদাৰে ৬৪ ৰাণ কৰে। মুম্বাইৰ হৈ ট্ৰেণ্ট বোলট আৰু হাৰ্দিক পাণ্ডিয়াই ২টাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে মুম্বাই ইণ্ডিয়ানছে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়।

ooooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ